**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 20-DEC-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

——————————————

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ আহিব। এই ভ্ৰমণকালত প্ৰধানমন্ত্ৰীগৰাকীয়ে প্ৰায় ১৫ হাজাৰ ৬০০ কোটি টকা ব্যয়সাপেক্ষ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। শ্ৰীমোদীয়ে আজি গুৱাহাটীৰ বৰঝাৰৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত নৱনিৰ্মিত বাঁহ অৰ্কিড টাৰ্মিনেল ভৱন উদ্বোধন কৰিব। ৪ হাজাৰ কোটি টকা ব্যয় সাপেক্ষে এই নতুন টাৰ্মিনেল ভৱনটো নিৰ্মাণ কৰা হৈছে। প্ৰায় এক লাখ ৪০ হাজাৰ বৰ্গমিটাৰ এলেকাজুৰি নিৰ্মাণ কৰা এই নতুন টাৰ্মিনেলটো বছৰি এক কোটি ৩০ লাখ যাত্ৰীক সেৱা আগবঢ়াব পৰাকৈ নিৰ্মাণ কৰা হৈছে। বাঁহ আৰু অৰ্কিড বিষয়বস্তুৰে নিৰ্মাণ কৰা এই টাৰ্মিনেল ভৱনে অসমৰ জৈৱ বৈচিত্ৰ্য আৰু সাংস্কৃতিক ঐতিহ্যক প্ৰতিফলিত কৰিছে। প্ৰধানমন্ত্ৰীয়ে বিমানবন্দৰতে অসমৰ প্ৰথমগৰাকী মুখ্যমন্ত্ৰী লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ ৮০ ফুট উচ্চতাৰ এটা প্ৰতিমূৰ্তি উন্মোচন কৰিব। এই কাৰ্যসূচীত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য উপস্থিত থাকিব। তেওঁ লগতে টাৰ্মিনেল ভৱনৰ বাহিৰত এখন জনসভাত ভাগ ল'ব। ইয়াৰ পাছত তেওঁ গুৱাহাটীৰ ৰাজ্যিক বিজেপিৰ কাৰ্যালয়ত দলৰ কৰ্মকৰ্তাসকলৰ সৈতে মত বিনিময় কৰিব। প্ৰধানমন্ত্ৰী মোদীৰ সন্মানাৰ্থে দলীয় কৰ্মকৰ্তাসকলে বৃহৎ ৰোড শ্ব'ৰ আয়োজন কৰিছে।

শ্ৰীমোদীয়ে কাইলৈ গুৱাহাটীৰ নৌ পৰিবহণ টাৰ্মিনেলত চৰাইদেউ জাহাজত ৰাজ্যৰ কেইবাগৰাকী মেধাৱী শিক্ষাৰ্থীৰ সৈতে **পৰীক্ষা পে চৰ্চা** কাৰ্যসূচীত অংশ লৈ তেওঁলোকৰ সৈতে মত বিনিময় কৰিব। ইয়াৰ পাছত তেওঁ গুৱাহাটীৰ পশ্চিম বৰাগাঁৱত ছহিদ স্মাৰক ক্ষেত্ৰ পৰিদৰ্শন কৰি ৮৬০ গৰাকী বীৰ ছহিদক প্ৰণিপাত জনাই ছহিদ বেদীত পুষ্পাঞ্জলি অৰ্পণ কৰিব।

প্ৰধানমন্ত্ৰীগৰাকী ইয়াৰ পাছত কাইলৈ নামৰূপলৈ যাব আৰু নামৰূপ সাৰ কাৰখানাত ১২ হাজাৰ কোটি টকা ব্যয় সাপেক্ষ নতুন ব্ৰাউনফিল্ড এমনিয়া ইউৰিয়া প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। তেওঁ লগতে এখন জনসভাতো অংশ ল'ব। ইতিমধ্যে এই অনুষ্ঠানৰ বাবে যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ হৈছে। মন্ত্ৰী বিমল বৰাই কালি জনসভাস্থলী পৰিদৰ্শন কৰি সকলো দিশ পৰ্যালোচনা কৰে।

oooooo

প্ৰশাসন ব্যৱস্থাত অধিক স্বচ্ছতা, গতিশীলতা আৰু দায়বদ্ধতা নিশ্চিত কৰাৰ লক্ষ্যৰে ৰাজ্যৰ বিভিন্ন জিলাত সুশাসন সপ্তাহ অনুষ্ঠিত হৈছে। শোণিতপুৰ জিলাত কালিৰে পৰা ২৫ ডিচেম্বৰলৈ পঞ্চম সুশাসন সপ্তাহৰ আয়োজন কৰা হৈছে। এই কাৰ্যসূচীত জনসাধাৰণৰ অভিযোগসমূহৰ খৰতকীয়া নিষ্পত্তিৰ ক্ষেত্ৰত গুৰুত্ব দিয়া হ'ব। জিলাখনৰ চক্ৰ বিষয়া, খণ্ড উন্নয়ন বিষয়া আৰু অন্যান্য বিভাগীয় কাৰ্যালয়ৰ চৌহদত বিশেষ অভিযোগ নিষ্পত্তি শিবিৰ অনুষ্ঠিত কৰি সমস্যাসমূহ সমাধানৰ প্ৰয়াস কৰা হ'ব। জিলা প্ৰশাসনে লগতে সেৱা সেতু প'ৰ্টেলত থকা আবেদনসমূহৰো শীঘ্ৰে সমাধান কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। তদুপৰি বিগত ৫ বছৰত শোণিতপুৰ জিলাত সুশাসনৰ ক্ষেত্ৰত গ্ৰহণ কৰা সফল পদক্ষেপ সন্দৰ্ভত বিশেষ কৰ্মশালা আয়োজনৰো ব্যৱস্থা কৰা হৈছে।

সুশাসন সপ্তাহৰ অংশ হিচাপে হোজাই জিলাতো কালি কৃষি, মহিলা আৰু শিশু উন্নয়ন, জনস্বাস্থ্য কাৰিকৰী, বেংকিং আদি বিভিন্ন বিভাগৰ কাৰ্যালয়সমূহ বিশেষ শিবিৰৰ স্থান হিচাপে অধিসূচনা জাৰি কৰা হৈছে। এই

বিভাগসমূহৰ দ্বাৰা প্ৰদান কৰা ৰাজহুৱা সেৱাসমূহ গ্ৰহণ কৰি জিলাখনৰ নাগৰিকসকল লাভান্বিত হোৱাৰ বাবে অভিযোগ পঞ্জীয়নৰ লগতে ইয়াৰ সমাধানৰ ব্যৱস্থাও গ্ৰহণ কৰা হৈছে।

০০০০০০

ৰাজ্যত গাহৰিৰ দেহত SWINE FEVER-ৰ সংক্ৰমণ কিছু হ্ৰাস পাইছে। SWINE FEVER-ৰ বাবে বহুকেইখন জিলাত গাহৰিৰ সৰবৰাহ, মাংস বিক্ৰী আদিৰ ক্ষেত্ৰত নিষেধাজ্ঞা জাৰি কৰাৰ ফলত গাহৰি পালকসকল যথেষ্ট সমস্যাৰ সন্মুখীন হোৱা পৰিলক্ষিত হৈছে। SWINE FEVER-ৰ সংক্ৰমণ হ্ৰাস পোৱাৰ পৰিপ্ৰেক্ষিতত ধেমাজি জিলাত গাহৰি মাংসৰ বিক্ৰীৰ ক্ষেত্ৰত জিলা প্ৰশাসনে পূৰ্বে জাৰি কৰা নিষেধাজ্ঞা বাতিল কৰা হৈছে। এই সন্দৰ্ভত জিলা প্ৰশাসনে কালি আন এখন জাননীযোগে ব্যৱসায়ীসকলে বজাৰত পুনৰ গাহৰি মাংস বিক্ৰী কৰিব পাৰিব বুলি জনোৱা হৈছে। অৱশ্যে আন্তঃ জিলা গাহৰি সৰবৰাহৰ ক্ষেত্ৰত এতিয়াও পূৰ্বৰ নিষেধাজ্ঞা বাহাল থাকিব। এই সন্দৰ্ভত ধেমাজি জিলাৰ পশু চিকিৎসা বিষয়া মানস শইকীয়াই এইদৰে কয় –

বাইট

০০০০০০

ধেমাজিৰ চিলিমপুৰত থকা আব-তানি কৃষ্টি ভৱনত অহা ২৭ আৰু ২৮ ডিচেম্বৰত অসম নাট্য সন্মিলনৰ স্বৰ্ণপীঠ মণ্ডলৰ দ্বিবাৰ্ষিক গোগামুখ অধিৱেশন আৰু পূৰ্ণাংগ নাট প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। নাট্য সন্মিলনৰ ধেমাজি জিলা সমিতিৰ সৌজন্যত আয়োজিত দুদিনীয়া এই অধিৱেশনৰ নাট প্ৰতিযোগিতাত কেইবাটাও নাট্যদলে অংশগ্ৰহণ কৰিব।

০০০০০০

ৰাজ্য চৰকাৰে শিল্পীসকলে ৰাজ্যৰ সাংস্কৃতিক ঐতিহ্যলৈ আগবঢ়োৱা অৱদানক স্বীকৃতি দি তেওঁলোকক সামাজিক সুৰক্ষা আৰু চিকিৎসা সুবিধা প্ৰদানৰ লক্ষ্যৰে শিল্পী স্বাস্থ্য বীমা আঁচনি ৰূপায়ণ কৰিছে। ইয়াৰ বাবে ইতিমধ্যে এটা বিশেষ অনলাইন প'ৰ্টেল মুকলি কৰা হৈছে। ১৮ৰ পৰা ৭০ বছৰ বয়সৰ শিল্পীসকলে www.filmfinance.assam.gov.in ৱেবছাইটত গৈ এই শিল্পী স্বাস্থ্য বীমা আঁচনিৰ বাবে আবেদন কৰিব পাৰিব। শিল্পীসকলে অহা ৭ জানুৱাৰীৰ নিশা ১২ বজা পৰ্যন্ত আবেদন কৰিব পাৰিব।

০০০০০০

সমাপ্ত